**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

ভাৰত-ম্যানমাৰ-থাইলেণ্ড সংযোগী ত্ৰিদেশী ঘাইপথে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰগতিৰ ক্ষেত্ৰত নিৰ্ণায়ক পৰিৱৰ্তনৰ সূচনা কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে প্ৰকাশ কৰিছে। এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ কালি প্ৰথম দিনা এক্ট ইষ্ট, এক্ট ফাষ্ট এণ্ড এক্ট ফাৰ্ষ্ট শীৰ্ষক আলোচনা সত্ৰত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয়, যে বিভিন্ন কাৰণত এই ত্ৰিদেশীয় ঘাইপথ নিৰ্মাণ স্থবিৰ হৈ আছে যদিও বাস্তৱসন্মত সমাধান উলিয়াই এই প্ৰকল্পটো আগুৱাই লৈ যাব লাগিব। একেদৰে ভূটানৰ গেলেফুত মাইণ্ডফুলনেচ চিটী নিৰ্মাণ হৈ উঠিলে অসমৰ বাবে সুযোগ আৰু সম্ভাৱনাৰ পথ প্ৰশস্ত হ'ব বুলি তেওঁ উল্লেখ কৰে। আছিয়ান ৰাষ্ট্ৰসমূহৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ বৃহৎ কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে অসমে আত্মনিৰ্ভৰশীল হোৱাৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে আৰু এডভাণ্টেজ আছাম সন্মিলনে ৰাজ্যখনৰ এই দৃঢ়তাকে প্ৰতিপন্ন কৰিছে।

এই বিনিয়োগ সন্মিলনত বিভিন্ন দেশৰ সৈতে হোৱা আলোচনাসমূহ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ জয়শংকৰৰ পৰামৰ্শমৰ্মে আগবঢ়াই নিয়া হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে। তেওঁ বিদেশী ৰাষ্ট্ৰৰ বৃহৎ প্ৰতিনিধি দলটো অসমলৈ নেতৃত্ব দি লৈ অনাৰ বাবে মন্ত্ৰীগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে। এই আলোচনা সত্ৰত ছিংগাপুৰৰ ৰাষ্ট্ৰদূত ছাইমন ৰং, ভূটানৰ ৰাষ্ট্ৰদূত মেজৰ জেনেৰেল ভেটছ্‌প’প নামগ্যাল, জাপানৰ ৰাষ্ট্ৰদূত কেইছ’ অন'ৰে আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ দ্বাৰা আঞ্চলিক অংশীদাৰিত্ব গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ফিক্কীৰ অধ্যক্ষৰ হৰ্ষবৰ্ধন আগৰৱালা আৰু অৰ্থনীতিবিদ শচীন চতুৰ্বেদীয়ে এক্ট ইষ্ট নীতিৰ জৰিয়তে ডিজিটেল অৰ্থনীতি, ছেমি কণ্ডাক্টৰকে ধৰি বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ পোষকতা কৰে।

০০০০০০

ডিজিটেল আন্তঃগাঁথনি সৰলীকৰণেৰে এখন নতুন অসম গঢ়িবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় যোগাযোগ তথা উত্তৰ পূৰ্বাঞ্চল উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ উপস্থিতিত কালি গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় এডভাণ্টেজ আচামৰ অংশ হিচাপে **আই ৰে'ৰ জৰিয়তে বিকশিত অসম শীৰ্ষ**ক বিষয় ভিত্তিক সত্ৰত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত ডিজিটেল বিপ্লৱৰ অংশীদাৰ হ'বলৈ অসম সম্পূৰ্ণৰূপে সাজু। ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক ব্ৰহ্মপুত্ৰৰ জৰিয়তে বংগোপসাগৰৰ পৰা অপটিকেল ফাইবাৰ অনাৰ সম্ভাৱনাৰ অধ্যয়ন কৰিবলৈ অনুৰোধ জনায়। এনে হ'লে ৰাজ্যত দ্ৰুত আৰু নিৰ্ভৰযোগ্য তথ্য লাভৰ ক্ষেত্ৰত মাইলৰ খুটি হিচাপে প্ৰমাণিত হ'ব বুলি তেওঁ উল্লেখ কৰে। ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে ২৫ হাজাৰ ২৫০ খন গাঁৱক অপটিকেল ফাইবাৰেৰে সামৰি লোৱা অভিলাষী পৰিকল্পনা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ কৃষক আৰু গ্ৰাম্য উদ্যোগীসকলৰ সুবিধাৰ্থে এই প্ৰকল্পৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সহায় আগবঢ়াবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৪ হাজাৰ খন বনগাঁৱক দূৰসংযোগ ব্যৱস্থাৰে সামৰি লোৱাৰ বাবেও অনুৰোধ জনায়। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় যোগাযোগ আৰু ড'নাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ৰাষ্ট্ৰৰ বিকাশত অসমে

নেতৃত্ব লোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। তেওঁ কয়, যে ভৌগলিক অৱস্থানগত সুবিধাৰ উপৰি অপাৰ সম্ভাৱনাৰ কথা বিবেচনা কৰিলে অসম কেৱল আছিয়ান দেশসমূহৰ বাবেই নহয়, ই সমগ্ৰ গ্লোৱেল চাউথৰ বাবে নিৰ্মাণ তথা পৰিবহন, সামগ্ৰী যোগানৰ কেন্দ্ৰৰূপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত আশুতোষৰ আৰাধনাৰ বাবে ভক্তসকলে ব্যাপক প্ৰস্তুতি চলাইছে। ৰাজ্যৰ অন্যান্য প্ৰান্তত শিৱমন্দিৰসমূহ পূজাৰ বাবে সজাই পৰাই তোলা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপন কৰিছে। কালি দিনৰ ভাগত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। আজি সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে ভাওনা প্ৰদৰ্শন কৰা হ'ব। কাইলৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিৱসাগৰ দৌল উন্নয়ন পৰিষদৰ দ্বাৰা প্ৰকাশিত স্মাৰক গ্ৰন্থ মুক্তিনাথ উন্মোচন কৰিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। পৰহিলৈ সামৰণি অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থকাৰ কথা। কাইলৈ শিৱৰাত্ৰি উপলক্ষে জিলা প্ৰশাসনে স্থানীয় বন্ধ ঘোষণা কৰিছে।

০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ সেতুবন্ধ কাৰ্যসূচীৰ অধীনত আজি সভাৰ এটা প্ৰতিনিধি দল অৰুণাচল প্ৰদেশলৈ যাব। সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত এই প্ৰতিনিধি দলটো আজি ৰাজ্যখনলৈ ৰাওনা হ'ব। বিভিন্ন ৰাজ্যৰ জাতি-জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ এনাজৰী শক্তিশালী কৰাৰ বাবে লোৱা কাৰ্যসূচীৰ অধীনত অসম সাহিত্য সভাই এই ব্যৱস্থা গ্ৰহণ কৰিছে। সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই প্ৰকাশ কৰা মতে অৰুণাচলৰ নিচি জনগোষ্ঠীয় সংগঠন নিচি ইলাইট ছ'চাইটিৰ উদ্যোগত চিজুছাত হ'বলগীয়া ন্যুকুম য়ল্লু অনুষ্ঠানত দলটোৱে অংশ ল'ব। দলটোৰ সৈতে এই অনুষ্ঠানত অংশ লোৱাৰ বাবে এটা বিহু দলো ৰাওনা হ'ব। এই দলটোত সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা, সাংগঠনিক সম্পাদক অপূৰ্ব ফুকনৰ লগতে কেইবাগৰাকীও বিষয়ববীয়া আছে।

০০০০০০

সমাপ্ত